জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৫৮/২০২২**

## উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ শীৰ্ষ বিষয়াসকলৰ সৈতে মুখ্যমন্ত্ৰীৰ গুৰুত্বপূৰ্ণ বৈঠক

### কামাখ্যা ৰে'ল ষ্টেচনৰ পৰা কামাখ্যা মন্দিৰক সংযোজিত কৰি নিৰ্মাণ হ'ব ৰ'পৱে

**দিছপুৰ, ১৩ ফেব্ৰুৱাৰী ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাকক্ষত উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ শীৰ্ষ বিষয়াসকলৰ সৈতে এক বৈঠকত মিলিত হৈ বিভিন্ন গুৰুত্বপূৰ্ণ বিষয় সন্দৰ্ভত আলোচনা কৰে। পল্টনবজাৰৰ দিশেৰে গুৱাহাটী ৰেল ষ্টেচনৰ প্ৰস্তাৱিত দ্বিতীয় প্ৰৱেশদ্বাৰৰ বাবে প্ৰয়োজনীয় ভূমি আবণ্টন সন্দৰ্ভত মীমাংসাত উপনীত হোৱাৰ বাবে মুখ্যমন্ত্ৰীয়ে অসম ৰাজ্যিক পৰিবহণ নিগমৰ বিষয়ববীয়াসকলক এন এফ ৰেলৱেৰ সৈতে আলোচনাত মিলিত হ'বলৈ নিৰ্দেশ দিয়ে। আলোচনাৰ সময়ত মুখ্যমন্ত্ৰীয়ে কয় যে ৰে'লৱেৰ ভূমি বেদখলমুক্ত কৰাটো এক নিয়মীয়া প্ৰক্ৰিয়া আৰু সংশ্লিষ্ট জিলা প্ৰশাসনসমূহে প্ৰয়োজন অনুসৰি এই ক্ষেত্ৰত প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব। তেওঁ কয় যে ৰাজ্যখনৰ ৰে'ল ষ্টেচনসমূহৰ উন্নয়ন আৰু আধুনিকীকৰণৰ বাবে ৰাজ্য চৰকাৰে এন এফ ৰে'লৱেক সকলোধৰণৰ সহায়-সহযোগিতা আগবঢ়াব। কামাখ্যা ৰে'ল ষ্টেচনৰ পৰা কামাখ্যা মন্দিৰক সংযোজিত কৰি হাতত ল'ব খোজা প্ৰস্তাৱিত ৰ'পৱে প্ৰকল্পৰ বাবে অনতিপলমে প্ৰয়োজনীয় আপত্তিবিহীন প্ৰমাণ পত্ৰ প্ৰদান কৰিবলৈ তেওঁ কামৰূপ মহানগৰ জিলাৰ উপায়ুক্তক নিৰ্দেশ দিয়ে।

মুখ্যমন্ত্ৰীয়ে কয় যে ৰে'লৱে অ'ভাৰব্ৰীজ নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰে ৮০টা স্থান চিনাক্ত কৰিছিল যদিও কেতবোৰ অসুবিধাৰ বাবে তাৰে মাত্ৰ কেইটামান স্থানতহে নিৰ্মাণকাৰ্য চলি আছে। এই সন্দৰ্ভত ৰে'লৱে আৰু অন্যান্য অংশীদাৰসকলৰ সৈতে নিয়মীয়া সমন্বয় ৰক্ষাৰে অসুবিধাসমূহ তৎকালে দূৰ কৰাৰ পদক্ষেপ ল'বলৈ তেওঁ লোক নিৰ্মাণ বিভাগৰ বিষয়ববীয়াসকলক নিৰ্দেশ দিয়ে। ৰাজ্যৰ গ্ৰামীণ কৃষি-অৰ্থনীতি শক্তিশালীকৰণৰ বাবে কিষাণ ৰে'লৰ নিয়মীয়া চলাচলৰ ওপৰত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে কৃষি বিভাগ তথা ৰাজ্যিক কৃষি বিপণন পৰিষদক জড়িতকৰণেৰে এইক্ষেত্ৰত চৰকাৰে প্ৰয়োজনীয় সকলোধৰণৰ সহযোগিতা আগবঢ়াব।

ৰাজ্যখনত বিভিন্ন ৰে'ল প্ৰকল্পৰ দ্ৰুত কাৰ্যকৰীকৰণৰ বাবে ৰাজ্য চৰকাৰ আৰু ৰে'ল বিভাগৰ যুটীয়া উদ্যোগত এক কোম্পানী স্থাপন, বিটিআৰ এলেকাত এটা ৰে'লৰ ডবা নিৰ্মাণ কাৰখানা স্থাপন, ৰাজ্যত প্ৰধানমন্ত্ৰী গতিশক্তি আঁচনিৰ সুষম ৰূপায়ণ আদি বিভিন্ন বিষয়ত ৰাজ্য চৰকাৰে ৰে'ল মন্ত্ৰালয়ৰ সৈতে নিৰন্তৰ যোগাযোগ ৰক্ষা কৰি থকাৰ কথাও মুখ্যমন্ত্ৰীয়ে বৈঠকত উল্লেখ কৰে।

বৈঠকত মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহাৰ লগতে ৰাজ্য চৰকাৰৰ লোক নিৰ্মাণ বিভাগ আৰু উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**প্ৰঃকুঃবঃ**
**১৩-২-২০২২**